**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-FEB-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি কাৰ্বি আংলঙত মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰায় ১৭ হাজাৰ মহিলাক ১০ হাজাৰ টকাৰ বীজ মূলধন প্ৰদান কাৰ্যসূচী।

২। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ কালি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ উদ্বোধন।

৩। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত অষ্টম অসম দৰমহা আয়োগ গঠন।

৪। আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন। অধ্যাপক নগেন শইকীয়ালৈ ডি-লীট আৰু ড০ দীনেশ চন্দ্ৰ গোস্বামীলৈ ডি এছ্ চি সন্মান। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ কালি মুম্বাইত অনুষ্ঠিত খেলত জিম্বাব'ৱেৰ বিৰুদ্ধে ৱেষ্ট ইণ্ডিজৰ ১০৭ ৰানত জয়লাভ।

০০০০০০

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি আংলং জিলাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৩৯৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ বীজ মূলধন প্ৰদান কৰিব। বোকাজানৰ হানজাংলাংছ' ষ্টেডিয়ামত দিনৰ চাৰে ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই ধনৰাশি বিতৰণ কৰিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং, ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন আৰু ডিফু সমষ্টিৰ সাংসদ অমৰ সিং টিছ' উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে ১২ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মিত খটখটি মিনি ষ্টেডিয়াম আৰু বোকাজান বিধানসভা সমষ্টিৰ বালিপথাৰ, চিলনীজান, বৰপথাৰ আৰু হিদিপিত সাপ্তাহিক বজাৰ প্ৰকল্প উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি মহিলা উদ্যমিতা অভিযানৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰিব। সমষ্টিটোৰ ২৮ হাজাৰ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব।

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলা কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, সমগ্ৰ দেশতে ১০ কোটি মহিলা আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৭ চনৰ ভিতৰত ইয়াৰে ৩ কোটি মহিলাক লাখপতি কৰিবলৈ বান্ধি দিয়া লক্ষ্য ২০২৫ চনতে অতিক্ৰম কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসমত ৯ লাখৰো অধিক মহিলা লাখপতি হৈছে বুলি তেওঁ কয়। চৰচ মেলাই এনেধৰণৰ মহিলা উদ্যোগীসকলক এখন মঞ্চ প্ৰদান কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে—

**ৰাইট (শিৱৰাজ সিং চৌহান)**

উল্লেখযোগ্য যে, এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০ খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ লগতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা অনুষ্ঠানত কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনি উদ্বোধন কৰে। এই অনুষ্ঠানতে কৃষি বিভাগৰ অধীনৰ মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ জৰিয়তে ৫০০ কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীলৈ ১৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰো শুভাৰম্ভ কৰা হয়। তদুপৰি মন্ত্ৰীগৰাকীৰ উপস্থিতিত ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু সমবেশী জীৱিকা অভিযানৰ অধীনতো ১২০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১ লাখ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ তথা কৃষি সাৰথি ডিজিটেল এপ মুকলি কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। কৃষিমন্ত্ৰী শ্ৰীচৌহানে আজি মাজুলী জিলা ভ্ৰমণ কৰিব।

০০০০০০

অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসক অধ্যক্ষ হিচাপে লৈ অষ্টম অসম দৰমহা আয়োগ গঠনৰ বাবে কালি আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জাৰি কৰা এই অধিসূচনা অনুসৰি, ৮ জনীয়া এই দৰমহা আয়োগত অসম চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগ, প্ৰশাসনীয় সংস্কাৰ বিভাগ, বিত্ত বিভাগৰ জ্যেষ্ঠতম সচিব কেইগৰাকী, আইন বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিবগৰাকী, বিত্ত বিভাগৰ বাজেট শাখাৰ বিশেষ সঞ্চালকগৰাকী আৰু বিত্ত বিভাগৰ দৰমহা-গৱেষণা শাখাৰ সচিবগৰাকীক আয়োগৰ পদেন সদস্য হিচাপে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল মহন্তক বিশেষ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। আয়োগে সংস্কাৰমুখী আৰু সৰ্বাত্মক দৃষ্টিভংগীৰে দৰমহা গাঁথনিৰ সংশোধন কৰিব। বিত্ত বিভাগে আজি এটা বিবৃতিযোগে আয়োগ গঠন সন্দৰ্ভত অৱগত কৰিছে।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি স্থাপিত HDFC বেংক টেক এণ্ড ডিজিটেল ফেক্টৰীত কালি গুৱাহাটীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। HDFC দেশৰ ভিতৰত চতুৰ্থটো এনেধৰণৰ সুবিধা অসমত স্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে বেংক কৰ্তৃপক্ষৰ শলাগ লয়। তেওঁ ডিজিটেল আৰু প্ৰযুক্তি নিৰ্ভৰ বেংকিঙৰ দিশে অসমক শক্তিশালীভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। এই অনুষ্ঠানৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে টাটা ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰথমটো নিয়োগ অভিযান কালি অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত সম্পন্ন হয় বুলি জানিবলৈ দিয়ে। আমেৰিকাত শিক্ষা গ্ৰহণ কৰি অহা অসমৰ যুৱ শক্তিয়ে এই অভিযানত অংশগ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে।

**ৰাইট (চি এম)**

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন আজি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য ভৱেন্দ্ৰনাথ ডেকা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিশেষ বক্তা হিচাপে এন ই চি টি এ আৰ - নতুন দিল্লীৰ সঞ্চালকপ্ৰধান ডং অৰুণ কুমাৰ শৰ্মা উপস্থিত থাকিব। বিশ্ববিদ্যালয়খনৰ

পঞ্জীয়ক ড° শৰৎ হাজৰিকাই প্ৰকাশ কৰা মতে এইবাৰ বিশিষ্ট সাহিত্যিক, অধ্যাপক নগেন শইকীয়াক ডি লীট সন্মান আৰু শিক্ষাবিদ ড° দীনেশ চন্দ্ৰ গোস্বামীক ডি এছ্ চি সন্মান আগবঢ়োৱা হ'ব। এই সমাৱৰ্তনত তিনিটা শৈক্ষিক বৰ্ষৰ ৭৯ গৰাকীক পি এইচ ডি, ৭৬৮ গৰাকীক স্নাতক-স্নাতকোত্তৰ আৰু ডিপ্ল'মাৰ প্ৰমাণপত্ৰ আগবঢ়োৱা হ'ব।

000000

ব্ৰহ্মপুত্ৰ উপত্যকাৰ জৈৱ বৈচিত্ৰ্য আৰু পৰিৱেশতন্ত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মেচেকা নামৰ মাছুৰৈ মেকুৰীবিধৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলত কালি মেচেকা দিৱস উদযাপন কৰা হয়। এই দিৱস উপলক্ষে ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া বিদ্যালয়সমূহৰ একাংশ ছাত্ৰ-ছাত্ৰীক উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত অগৰাতলি বনাঞ্চললৈ নিয়া হয়। বনাঞ্চলটোৰ চহলাবিলৰ পাৰত অনুষ্ঠিত মূল কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক আৰ্দ্ৰ ভূমি, জলাশয়, দলনি, পিতনিৰ দৰে অঞ্চলসমূহৰ জৈৱতন্ত্ৰত গুৰুত্বৰ লগতে এইবোৰত বাস কৰা মেচেকাৰ বিষয়েও অৱগত কৰা হয়। মেচেকাৰ জীৱন চক্ৰ, ইয়াৰ সংৰক্ষণৰ প্ৰচেষ্টা আৰু মেচেকাৰ গোলকীয় স্থিতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক বনাঞ্চলিক বিষয়া বিদ্যুৎ বিকাশ বৰা, মেচেকা প্ৰকল্পৰ সমন্বয়ক টিয়াছা আদ্যকে ধৰি ভালেসংখ্যক সমল ব্যক্তিয়ে জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক মেচেকা সন্দৰ্ভত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনত তিনিওটা বন সংমণ্ডলত ৰূপায়িত সপ্তম পক্ষী গণনা আৰু মেচেকা পৰিসংখ্যা প্ৰতিবেদনো কালি মুকলি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি শিক্ষা বিভাগৰ বিশেষ দায়িত্বশীল বিষয়া স্মৰজিৎ ওজাই এইদৰে কয়--

**বাইট (স্মৰজিৎ ওজা)**

000000

সামাজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অষ্টাদশ বাৰ্ষিক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা নাট সমাৰোহ আজিৰে পৰা ২৬ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা নাটসমূহ পৰিৱেশন কৰা হ'ব। উদ্বোধনী অনুষ্ঠানৰ পাছতে মাণিক ৰয় পৰিচালিত 'মধুমক্ষিকা' নাটখন মঞ্চস্থ কৰা হ'ব। কাইলৈ জ্যোতি নাৰায়ণ নাথৰ ৰচনা আৰু পৰিচালনাৰে সোণালী বেলি নাটখন মঞ্চস্থ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত উজলা বৰ্মনৰ কাহিনীত অম্লানদীপ শইকীয়াই নাট্যৰূপ দিয়া 'বুকুৰ সৰু চৰাই' নাটখন মঞ্চস্থ কৰা হ'ব।

নগাঁও জিলাৰ বেবেজীয়াত ৭ মাৰ্চৰ পৰা দুদিনীয়াকৈ ৰ'দঘাই নাট মহোৎসৱ অনুষ্ঠিত হ'ব। সপ্তম বাৰ্ষিক এই নাট সমাৰোহত দিনৰ ভাগতে শব্দযন্ত্ৰ আৰু কৃত্ৰিম পোহৰ অবিহনে ছখন অপেছাদাৰী নাট মঞ্চস্থ কৰা হ'ব। ৭ মাৰ্চত বিয়লি ১ বজাৰ পৰা চন্দ্ৰজ্যোতি সংঘৰ 'ৰং বেৰং', জ্যোতি ৰংগমঞ্চৰ 'অগ্ৰাহ্য' আৰু ঐকান্তিক সাংস্কৃতিক গোষ্ঠীৰ 'কোন পথৰ পথিক' শীৰ্ষক নাট মঞ্চস্থ কৰা হ'ব। দ্বিতীয় দিনা তেজপুৰৰ বাণ থিয়েটাৰে 'টেটোন তামুলী', অৰিহণা নাট্য গোষ্ঠীয়ে 'বনফুল বকুল' আৰু ৰ'দঘাই বেবেজীয়াই 'দৰ্খাস্ত' নামৰ নাটক পৰিৱেশন কৰিব।

000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৮০ খন আসনৰ প্ৰাৰ্থী চূড়ান্ত কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ঘোষণা কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। আজি ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰ দুশ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত ইয়াণ্ডাবু সন্ধিৰ আজি দুশ বছৰ শীৰ্ষক এক বিশেষ প্ৰতিবেদন প্ৰকাশ কৰিছে। মিত্ৰতাৰ টোপ দি ৰাইজৰ দলক কংগ্ৰেছে চূড়ান্ত বিশ্বাসঘাতকতা কৰা বুলি অসমীয়া খবৰ কাকতে প্ৰকাশ কৰা বাতৰিটোৰ শিৰোনাম 'কংগ্ৰেছৰ বাবে ইউজ এণ্ড থ্ৰ

অখিল!' ইফালে, জুবিন গাৰ্গৰ গোচৰটো ফাষ্টট্ৰেক আদালতলৈ স্থানান্তৰ সন্দৰ্ভত শেহতীয়াকৈ মুখ্যমন্ত্ৰীয়ে কেতবোৰ যুক্তি দিয়াৰ পাছত অসম জাতীয় পৰিষদে সংবাদমেলযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিৱসাগৰৰ নামদাঙৰ দলং, শ্ৰীভূমিৰ চিংলা নদীৰ দলঙৰ পাছত ডিমাহাচাওৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মীয়মাণ এখন দলং হঠাত ভাগি পৰা ঘটনাক লৈ সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বুলি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত এটা বাতৰি পৰিৱেশন কৰিছে। মণিপুৰৰ লক্ষ্মীপ্ৰিয়া দেবীৰ ছবি বুঙে লণ্ডনত আন্তৰ্জাতিক সন্মান বুটলাৰ খবৰটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম গোষ্ঠীসংঘৰ্ষৰ দাবানলে দহা মণিপুৰৰ ছবিয়ে ৰচিলে ইতিহাস। দি আচাম ট্ৰিবিউন কাকতেও ছবিখনৰ সফলতাৰ এই বাতৰিটো আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। কেন্দ্ৰীয় চৰকাৰে কালি দেশত প্ৰথমবাৰৰ সন্ত্ৰাসবাদ বিৰোধী নীতি প্ৰহাৰ উন্মোচন কৰা বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত দি টাইমচ অৱ ইণ্ডিয়া কাকতে প্ৰকাশ কৰিছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

০০০০০০

যোৰহাটৰ জে বি কলেজৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী, পণ্ডিত ৰোহিণী কুমাৰ বৰুৱাৰ আজি পুৱা যোৰহাটৰ নাজিৰ আলিৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। কেইবাখনো গ্ৰন্থৰ ৰচয়িতা বৰুৱাৰ বিয়োগত যোৰহাটত শোকৰ ছাঁ পৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে ধুঁৱলী-কুঁৱলী হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**